# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 02-04-2025
**Time :** 0900 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::::**

HEDLINE

১। ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ ৩৩ টা সমষ্টিৰ বাবে পুৱাৰেপৰা ভোটগ্ৰহণ।

২। ৰাজ্যত আজি পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণাৰ সম্ভাৱনা। ৰাজ্যিক কৰ্মচাৰীৰ ছুটী নামঞ্জুৰৰ নিৰ্দেশনা জাৰি।

৩। যোৰহাটত আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ ১১১ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও ৰাজহুৱা প্ৰকল্পৰ উদ্বোধন।

৪। গুৱাহাটীত আজিৰেপৰা খেল মহাৰণৰ দ্বিতীয় পৰ্যায়ৰ ৰাজ্যিক স্তৰৰ প্ৰতিযোগিতা।

*আৰু*

৫। আই পি এল টি ২০ ক্ৰিকেট প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে পাঞ্জাব কিংছৰ জয়লাভ।

ooooo

ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া আজি পুৱাৰে পৰা অনুষ্ঠিত হৈছে। গোৱালপাৰা আৰু কামৰূপৰ মুঠ ৩৩ টা পৰিষদীয় সমষ্টিত চাৰি লাখ ৪৫ হাজাৰৰো অধিক ভোটদাতাই আজি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিছে। পুৱা ৭ বজাত আৰম্ভ হোৱা ভোটগ্ৰহণ প্ৰক্ৰিয়া বিয়লি ৩ বজাত অন্ত পৰিব। কামৰূপ জিলাৰ দুটা আৰু গোৱালপৰা জিলাৰ এটা সমষ্টিত এন ডি এৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে।

আমাৰ গোৱালপাৰাৰ সংবাদদাতাই জনোৱা অনুসৰি জিলাখনৰ ১৯ টা সমষ্টিত ৩৬২ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। আজি জিলাখনত দুই লাখ ৪০ হাজাৰৰো অধিক ভোটদাতাই ৫২ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। জয়ৰামকুচি পৰিষদীয় সমষ্টিত এন ডি এৰ প্ৰাৰ্থী প্ৰেমাজুলি ৰাভা বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে।

কামৰূপ জিলাৰ ১৪ টা পৰিষদীয় সমষ্টিত এক লাখ ৬৮ হাজাৰ ৬৬৮ গৰাকী ভোটদাতাই ৪৪ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। জিলাখনত স্থাপন কৰা ২০৯ টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত ১০ টা কেৱল মহিলা বিষয়াৰ দ্বাৰা আৰু এটা দিব্যাংগ বিষয়াৰ দ্বাৰা পৰিচালনা কৰা হৈছে। জিলাখনৰ দুটা আদৰ্শ কেন্দ্ৰত ভোটগ্ৰহণ চলি আছে। নিৰ্বাচন পৰিচালনাৰ বাবে এহেজাৰ ১৩৬ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়া নিয়োগ কৰা হৈছে। ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে জিলাখনত ছয় শতাধিক নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। এই ভোটগ্ৰহণ সন্দৰ্ভত আমাৰ কামৰূপৰ সংবাদদাতা কৌশিক ডেকাই এইদৰে কয়–

-বাইট-

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত গোৱালপাৰা আৰু কামৰূপ জিলাৰ পৰিষদৰ এলেকাধীন অঞ্চলত বন্ধ ঘোষণা কৰা হৈছে। অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ সচিবে জাৰি কৰা জাননী অনুসৰি আজি অঞ্চলটোৰ সকলো চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, শিক্ষা, ব্যৱসায়িক আৰু বিত্তীয় প্ৰতিষ্ঠান বন্ধ থাকিব। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ ভোটদানৰ হাৰ ভোটাৰ টাৰ্ণআউট প'ৰ্টেলৰ জৰিয়তে নাগৰিকে প্ৰতি দুঘণ্টাৰ মূৰে মূৰে লাভ কৰিব পাৰিব। প'ৰ্টেলত উল্লেখ কৰা তথ্যসমূহ জিলা পৰ্যায়ৰ ক্ষেত্ৰ বিষয়াসকলে ব্যৱস্থাটোত অন্তৰ্ভুক্ত কৰা তথ্যৰ ওপৰত ভিত্তি কৰি প্ৰকাশৰ ব্যৱস্থা কৰা হৈছে।

ooooo

ৰাজ্যিক নিৰ্বাচন আয়োগে আসন্ন পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ কোনো ধৰণৰ নৈমিত্তিক আৰু আৰ্জিত ছুটি গ্ৰাহ্য নকৰিবলৈ সকলো জিলা আয়ুক্ত আৰু সমজিলা আয়ুক্তলৈ আজি নিৰ্দেশনা জাৰি কৰিছে। আয়োগৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি ৰাজ্যিক নিৰ্বাচন আয়োগৰ লিখিত অনুমতি অবিহনে পঞ্চায়ত নিৰ্বাচন অন্ত নপৰালৈকে ছুটি মঞ্জুৰ কৰিব পৰা নাযাব। ইপিনে, ৰাজ্যিক নিৰ্বাচন আয়ুক্ত আলোক কুমাৰে আজি বিয়লি ৫ বজাত এখন সংবাদমেল সম্বোধন কৰিব। এই সংবাদমেলযোগে আয়ুক্তগৰাকীয়ে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে ২ৰ পৰা ৪ এপ্ৰিলৰ ভিতৰত পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰিব বুলি প্ৰকাশ কৰি আহিছে। আজি পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ হ'বলগীয়া ৰাভা-হাছং স্বায়ত্ত শাসিত নিৰ্বাচনৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগে বিয়লি ৫ বজাত সংবাদমেলখনৰ আয়োজন কৰিছে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি যোৰহাটত প্ৰায় ১১১ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও ৰাজহুৱা প্ৰকল্পৰ উদ্বোধন কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে ৫৮১ মিটাৰ দৈৰ্ঘ্যৰ কমাৰবন্ধা আলি ৰে'লৰে উৰণ সেতু, সম্পূৰ্ণ স্বয়ংক্ৰিয় পৰীক্ষা আৰু অত্যাধুনিক সা-সঁজুলি সম্পন্ন স্বয়ংক্ৰিয় যান-বাহন উপযোগিতা পৰীক্ষণ কেন্দ্ৰ আৰু ১২০ খন আসনযুক্ত আলোচনা কক্ষ, সংবাদ সন্মিলন কক্ষ ইত্যাদি সংলগ্ন যোৰহাট সন্মিলন কেন্দ্ৰটো আজি ৰাইজলৈ উৎসৰ্গিত কৰিব। ইয়াৰে উৰণ সেতুখন ৭৮ কোটি ২৭ লাখ, যান-বাহন পৰীক্ষা কেন্দ্ৰটো ১২ কোটি ৫০ লাখ আৰু সন্মিলন কেন্দ্ৰটো ২০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰি উলিওৱা হৈছে। মন্ত্ৰী অজন্তা নেওগ আৰু যোগেন মহনৰ লগতে বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, ৰূপজ্যোতি কুৰ্মী তথা ভাস্কৰ জ্যোতি বৰুৱা আৰু অসম ৰাজ্যিক পৰিবন নিগমৰ অধ্যক্ষ পল্লৱ লোচন দাস এই কাৰ্যসূচীত উপস্থিত থকাৰ কথা।

ooooo

খেল মহাৰণৰ দ্বিতীয় পৰ্যায়ৰ ৰাজ্যিক স্তৰৰ প্ৰতিযোগিতা আজিৰ পৰা গুৱাহাটীত অনুষ্ঠিত হ'ব। ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত জিলা পৰ্যায়ত অনুষ্ঠিত খেলসমূহত শ্ৰেষ্ঠ খেলুৱৈ হিচাপে নিৰ্বাচিত খেলুৱৈসকলে ৰাজ্যিক স্তৰৰ প্ৰতিযোগিতাৰ একাধিক শাখাত অংশগ্ৰহণ কৰিব। সৰুসজাই ক্ৰীড়া প্ৰকল্প, নেহৰু ষ্টেডিয়াম, ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ চৌহদ আৰু সোণাপুৰৰ এল এন ই পিত প্ৰতিযোগিতাসমূহ

অনুষ্ঠিত হ'ব। ডাঃ জাকিৰ হুছেইন একুৱাটিক কমপ্লেক্সত সাঁতোৰ, তেতেলীয়াৰ চাকনিবাৰী খাটত চাইক্লিং প্ৰতিযোগিতা হ'ব। মুঠ ৭ হাজাৰ ৯৮ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিবলগীয়া এই প্ৰতিযোগিতাৰ অহা ৬ এপ্ৰিলত সামৰণি পৰিব। অংশগ্ৰহণকাৰীসকলে dsyw assam.com/khel ত লগ ইন কৰি তেওঁলোকৰ পঞ্জীয়ন নম্বৰ বা নাম পূৰণ কৰি পি এম অ'ৰ দ্বাৰা অনুমোদিত অংশগ্ৰহণৰ প্ৰমাণপত্ৰ ডাউনলোড কৰিব পাৰিব।

০০০০০

দেশত কালিৰে পৰা প্ৰায় ৯০০ বিধ ঔষধৰ মূল্যবৃদ্ধি কাৰ্যকৰী হৈছে। এই ঔষধসমূহৰ মূল্য ১ দশমিক ৭-৪ শতাংশ বৃদ্ধি পাইছে। মধুমেহ, উচ্চ ৰক্তচাপ, হৃদৰোগ, সংক্ৰমণৰ চিকিৎসাজনিত ঔষধ, কৰ্কট ৰোগৰ বিষনাশক ঔষধকে ধৰি ভালেসংখ্যক ৰোগৰ ঔষধৰ মূল্য কালিৰেপৰা বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় ভেষজ মূল্য নিয়ন্ত্ৰণ প্ৰাধিকৰণে পাইকাৰী মূল্য সূচকৰ ওপৰত নিৰ্ভৰ কৰি এই ঔষধসমূহৰ মূল্য বৃদ্ধিৰ সিদ্ধান্ত লয়। কেইবাবিধো জীৱনদায়িনী ঔষধৰ লগতে চিকিৎসাত ব্যৱহৃত ভালেসংখ্যক অত্যাৱশ্যকীয় সঁজুলীৰ দামো কালিৰে পৰা বৃদ্ধি পাইছে। মুদ্ৰাস্ফীতি ভিত্তিক মূল্য নিৰীক্ষণৰ বাবে ঔষধৰ মূল্য বৃদ্ধি পাইছে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে প্ৰতিবছৰে ঔষধসমূহৰ মূল্যৰ ক্ষেত্ৰত প্ৰাধিকৰণে সংশোধনী ঘটাই যদিও বিগত বৰ্ষত এই মূল্যবৃদ্ধি দশমিক ০০৫৫ শতাংশহে আছিল। ইপিনে এই মূল্যবৃদ্ধিয়ে চৰকাৰী চিকিৎসা খণ্ডত কোনো প্ৰভাৱ নেপেলায় বুলি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহালে কালি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে চৰকাৰী চিকিৎসালয় আৰু ঔষধ কেন্দ্ৰৰ পৰা ঔষধ ল'বলৈ জনসাধাৰণক আহ্বান জনায়।

*(বাইট)*

০০০০০

বিজ্ঞান প্ৰযুক্তি আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কালি ইছৰোৰ অধ্যক্ষ তথা কেন্দ্ৰীয় চৰকাৰৰ মহাকাশ বিভাগৰ সচিব ড০ ভি নাৰায়ণনৰ সৈতে এখন বৈঠকত মিলিত হয়। অসম চৰকাৰৰ নিজা কৃত্ৰিম উপগ্ৰহ আছামছেটৰ প্ৰস্তুতি, আৰ্হি নিৰ্মাণ, প্ৰয়োজনীয় অনুমতি আহৰণ তথা উৎক্ষেপণ আদিৰ ক্ষেত্ৰত ইছৰোৰ সহযোগিতাক লৈ বিস্তৃতভাৱে আলোচনা কৰা হয়। ইছৰোৰ অধ্যক্ষগৰাকীয়ে এইক্ষেত্ৰত চৰকাৰলৈ পূৰ্ণ সহযোগিতা আৰু কাৰিকৰী সমৰ্থন আগবঢ়োৱাৰ আস্বাস দিয়া বুলি জানিব পৰা গৈছে। লগতে ৰাজ্যত কৃষি আৰু বন ক্ষেত্ৰ নিৰীক্ষণ, দুৰ্যোগ ব্যৱস্থাপনা, জলসম্পদ ব্যৱস্থাপনা, নগৰ পৰিকল্পনা আদি বিষয়ত মহাকাশ বিজ্ঞান তথা প্ৰযুক্তিৰ সৰ্বাধিক প্ৰয়োগৰ ক্ষেত্ৰত বৈজ্ঞানিক পৰামৰ্শ আৰু কাৰিকৰী সহযোগিতাৰ বিষয়টোও কালি আলোচনাত স্থান পায়। বৈঠকত ইছৰোৰ অধ্যক্ষগৰাকীয়ে অসমৰ ১০০ গৰাকীকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৮০০ শিক্ষাৰ্থীক ইছৰোৰ আটাইকেইটা মুখ্য কেন্দ্ৰ আৰু প্ৰকল্প পৰিদৰ্শনৰ সুযোগ আগবঢ়োৱাৰ প্ৰস্তাৱ দিয়ে।

০০০০০

লোকসভাত আজি ৱাকফ সংশোধনী বিধেয়ক ২০২৪ বিবেচনা আৰু গ্ৰহণৰ বাবে উত্থাপন কৰা হ'ব। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে প্ৰকাশ কৰা মতে বিধেয়কখন সন্দৰ্ভত আলোচনাৰ বাবে ৮ ঘণ্টা সময় নিৰ্ধাৰণ কৰা হৈছে। সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত শ্ৰী ৰিজিজুৱে কয়, যে প্ৰয়োজনত এই সময় বৃদ্ধি কৰা হ'ব পাৰে। বিধেয়কখন সন্দৰ্ভত সকলো প্ৰশ্নৰ উত্তৰ দিবলৈ চৰকাৰ সাজু থকা বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিছে।

ভাৰতীয় জনতাপাৰ্টী আৰু সংযুক্ত গণতান্ত্রিক মৰ্চাৰ অংশীদাৰ জে ডি ইউ তথা তেলেগুদেশম পাৰ্টীয়ে দলৰ সকলো সাংসদক আজি লোকসভাত উপস্থিত থাকিবলৈ হুইপ জাৰি কৰিছে। কংগ্রেছ দলেও নিজৰ সাংসদসকললৈ হুইপ জাৰি কৰিছে। কালি ৱাকফ সংশোধনী বিধেয়ক সন্দৰ্ভত আলোচনাৰ বাবে নতুন দিল্লীত আই-এন-ডি-আই মিত্ৰজোঁটৰ শীৰ্ষ নেতৃত্ব বিশেষ আলোচনাত মিলিত হয়। কংগ্রেছৰ জ্যেষ্ঠ নেতা মল্লিকাৰ্জুন খাৰ্গে আৰু ৰাহুল গান্ধী, সমাজবাদী পাৰ্টীৰ ৰাম গোপাল যাদৱ, তৃণমূল কংগ্রেছৰ কল্যাণ বেনাৰ্জী, ডি এম কেৰ টি আৰ বালু, আম আদমী পাৰ্টীৰ সঞ্জয় সিঙৰ লগতে অন্যান্য নেতাসকল বৈঠকখনত উপস্থিত থাকে।

ooooo

অহা ১ জুলাইৰ পৰা ৰাজ্যৰ ক্ষুদ্ৰ কৃষক আৰু দুগ্ধ বিক্ৰেতাই কোনো ধৰণৰ খাজনা দিব নালাগে বুলি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কালি তেজপুৰত প্ৰকাশ কৰে। তেওঁ কয়, যে কৰ কাটল নিদিয়াকৈ গ্ৰামাঞ্চলত ক্ষুদ্ৰ কৃষকৰ লগতে দুগ্ধ পামৰ সৈতে জড়িতসকলে গ্ৰামাঞ্চলৰ বজাৰত নিজৰ উৎপাদিত সামগ্ৰী বিক্ৰি কৰিব পাৰিব। তদুপৰি গ্ৰামাঞ্চলৰ আৰ্থ-সামাজিক দিশটো উন্নত কৰিবলৈ অৰাজনৈতিকভাৱে পঞ্চায়ত গঠনত তেওঁ গুৰুত্ব আৰোপ কৰে। কোনো ৰাজনৈতিক দলৰ প্ৰাৰ্থীত্ব আৰু দলীয় প্ৰতীকচিহ্ন অবিহনে হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনত যোগ্য ব্যক্তিক নিৰ্বাচিত কৰিবলৈ তেওঁ আহ্বান জনায়। গাঁও অঞ্চলৰ হাট-বজাৰ, দৈনিক বজাৰ আৰু সাপ্তাহিক বজাৰৰ নিবিদাৰ ক্ষেত্ৰত ঘটোৱা বিশেষ সংশোধনীৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে, দুই-এদিনৰ ভিতৰতে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

NEWS Paper REV./RNU

বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছৰ উত্তৰ-পূব সম্পৰ্কীয় মন্তব্যক লৈ হোৱা প্ৰতিক্ৰিয়া, আজি লোকসভাত ৱাকফ সংশোধনী বিধেয়ক গৃহীতকৰণৰ তৎপৰতা, ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচন, দেশজুৰি টোলগেটৰ কৰ বৃদ্ধি, নিজা কৃত্ৰিম উপগ্ৰহ আছামছেটক লৈ অসম চৰকাৰৰ প্ৰস্তুতিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ খবৰ আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

ইয়াৰে বাংলাদেশৰ মহম্মদ ইউনুছৰ উত্তৰ-পূব সম্পৰ্কীয় মন্তব্যৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে **ভাৰতক চৰম উপেক্ষা কৰি বেইজিঙত মহম্মদ ইউনুছৰ অভিসন্ধিমূলক মন্তব্য, উত্তৰ-পূবলৈ চীনক আমন্ত্ৰণ বাংলাদেশৰ মুৰব্বীৰ,** শিৰোনামেৰে প্ৰথম পৃষ্ঠীত প্ৰকাশ কৰিছে। বিষয়টোক লৈ দৈনিক অসম কাকতে চীনত ইউনুছৰ ভাৰত বিৰোধী স্থিতি আৰু ইউনুছৰ মন্তব্যৰ বিৰোধীতা ড০ হিমন্ত বিশ্ব শৰ্মা, গৌৰৱ গগৈৰ শিৰোনামেৰে দুটা ভিন্ন বাতৰি প্ৰথম পৃষ্ঠীত স্থান দিছে। দৈনিক অগ্ৰদূত, দি আছাম ট্ৰিবিউন আৰু দ্যা টাইমছ অব ইণ্ডিয়াইও বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৱাকফ সংশোধনী বিধেয়কৰ বাতৰিটো আমাৰ অসম কাকতে **তীব্ৰ উত্তেজনা, বিজেপিৰ হুইপ, লোকসভাত আজি ৱাকফ বিলকলৈ ভোটগ্ৰহণ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদৰ ৩৩ টা সমষ্টিত অনুষ্ঠিত ভোটগ্ৰহণৰ বাতৰিটো নিয়মীয়া বাৰ্তাকে ধৰি কেইবাখনো কাকেত প্ৰথম পৃষ্ঠাত স্থান দিছে।

নতুন বিত্তীয় বৰ্ষত আৰম্ভণিৰ দিনটোৰ পৰাই দেশজুৰি ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ টোলগেটৰ কৰ বৃদ্ধি কৰাৰ বাতৰি এটা অসমীয়া খবৰ তথা আন কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসম চৰকাৰে নিজা কৃত্ৰিম উপগ্ৰহ আছামছেটক লৈ তৎপৰ হৈ পৰা বাতৰি এটা আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বিজ্ঞান প্ৰযুক্তি আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কালি ইছ্ৰোৰ অধ্যক্ষ তথা কেন্দ্ৰীয় চৰকাৰৰ মহাকাশ বিভাগৰ সচিব ড০ ভি নাৰায়ণনৰ সৈতে এখন বৈঠকত মিলিত হৈ এই সম্পৰ্কীয় বিষয়কলৈ কৰা আলোচনাৰ বাতৰিটো দৈনিক জনমভূমি আৰু দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠীত স্থান দিছে।

০০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ ক্ষুদ্ৰ, লঘূ আৰু মজলীয়া উদ্যোগ খণ্ডক আগবঢ়াই নিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ উদ্যম পঞ্জীয়ন প'ৰ্টেলত ৪ লাখ ৬০ হাজাৰৰো অধিক ঔদ্যোগীক গোটক পঞ্জীয়ন কৰা হৈছে। ২০২০ চনত কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰা এই প'ৰ্টেলৰ সহায়ত এনে উদ্যোগসমূহক এখন মঞ্চলৈ অনাৰ প্ৰয়াস কৰা হৈছিল। ২০২৩ চনৰ ১১ ফেব্ৰুৱাৰীত উদ্যম প'ৰ্টেলটো নতুন ৰূপত মুকলি কৰা হয়। ২০২০ চনৰ ১ জুলাইৰ পৰা চলিত বছৰৰ ১৫ মাৰ্চলৈ উত্তৰ-পূৰ্বাঞ্চলৰ ৪ লাখ ৬০ হাজাৰ ৩৫১টা ঔদ্যোগীক গোটক এই প'ৰ্টেলত পঞ্জীয়ন কৰা হৈছে। ষ্টাৰ্ট আপ ইণ্ডিয়া আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰে ২০১৬ চনৰ ১৬ জানুৱাৰীত ষ্টাৰ্ট আপ আৰু উদ্ভাৱনৰ প্ৰসাৰৰ বাবে ষ্টাৰ্ট আপ আন্তঃগাঁথনি বিনিয়োগক উৎসাহিত কৰিবলৈ শক্তিশালী ব্যৱস্থা গঢ়ি তোলাৰ পোষকতা কৰিছিল। ২০১৯ চনত জাৰি কৰা অধিসূচনাৰ অধীনত নিৰ্ধাৰিত যোগ্যতাৰ স্বৰ্ত অনুসৰি উদ্যোগ আৰু আভ্যন্তৰীণ বাণিজ্য প্ৰসাৰ বিভাগে ষ্টাৰ্ট আপ ইণ্ডিয়াৰ অধীনত এটা প্ৰতিষ্ঠানক ষ্টৰ্ট আপ হিচাপে স্বীকৃতি দিয়ে। এই আঁচনিৰ জৰিয়তে উত্তৰ-পূবকে ধৰি সমগ্ৰ দেশতে ষ্টৰ্ট আপ আন্তঃগাঁথনি বিকাশৰ দ্বাৰা ক্ষুদ্ৰ, লঘূ আৰু মজলীয়া উদ্যোগসমূহৰ প্ৰসাৰৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি উত্তৰ-পূব উন্নয়ন দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড০ সুকান্ত মজুমদাৰে প্ৰকাশ কৰিছে।

০০০০০

টাই-আহোম উন্নয়ন পৰিষদৰ উদ্যোগত ধেমাজি ঘূগুহা দ'লৰ বাকৰিত যোৱা ২৩ মাৰ্চৰ পৰা অনুষ্ঠিত টাই নৃত্য-গীতৰ কৰ্মশালাৰ কালি সামৰণি পৰে। এই কৰ্মশালাত অঞ্চলটোৰ শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাখনত টাই-আহোমৰ লোকনৃত্য লাই-লুং-খাম, কা-ৰাগ-চাং-মাই আদি শিকোৱা হয়।

০০০০০

আই পি এল টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত কালি নিশা লক্ষ্নৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্নৌ ছুপাৰ জায়েন্টছক পঞ্জাব কিংছে ৮ উইকেটত পৰাস্ত কৰে । খেলখনত স্কিপাৰ শ্ৰেয়াৰ্চ আয়াৰে ৫২ৰাণৰ বৰঙণি আগবঢ়ায়। লক্ষ্নৌ ছুপাৰ জায়েন্টচৰ হৈ দিগভেজ সিং ৰাথীয়ে দুয়োটা উইকেট দখল কৰে । টচত জিকি খেলখনত পঞ্জাব কিংছে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। প্ৰথমে বেট ধৰি লক্ষ্নৌ ছুপাৰ জায়েন্টছে নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১৭১ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত পঞ্জাব কিংছে ১৬ অভাৰ আৰু দুটা বলত মাত্ৰ

দুটা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয় । লক্ষ্নৌ ছুপাৰ জায়েণ্টছে ইয়াৰ পূৰ্বৰ এখন খেলত ৫টা উইকেটত চানৰাইজাৰ্চ হায়দৰাবাদৰ বিৰুদ্ধে জয়লাভ কৰিছিল যদিও আন এখন খেলত দেহলী কেপিটেলছৰ হাতত পৰাস্ত হৈছিল। আজি বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত ৰয়েল চেলেঞ্জাৰ্চ বাংগালুৰু গুজৰাট টাইটানছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

ooooo

বতৰৰ বতৰা –

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চল ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২০ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে, মেঘালয়, নাগালেণ্ড, মিজোৰাম, আৰু মণিপুৰত বতৰ ফৰকাল হৈ থাকিব বুলি কেন্দ্ৰই লগতে প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত